# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-04-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দি আক্ৰমণকাৰীক উচিত প্ৰত্যুত্তৰ দিয়া হব বুলি দৃঢ়তাৰে কয়। আজি দিনৰ এঘাৰ বজাত প্ৰচাৰ হোৱা আকাশবাণীৰ মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে চলিত মাহৰ ২২ তাৰিখে জম্মু-কাশ্মীৰৰ পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি এইদৰে কয়। তেঁও কয়, যে এই আক্ৰমণৰ দ্বাৰা আক্ৰমণকাৰীসকলে কাপুৰুষালীৰ পৰিচয় দিছে। তেওঁ কয়, যে কাশ্মীৰ উপত্যকাত শান্তি ঘুৰি অহা, দেশত গণতন্ত্ৰ শক্তিশালী হোৱা আৰু কাশ্মীৰৰ ভূমিত পৰ্যটক বৃদ্ধি হোৱা কথাত ভাৰত তথা কাশ্মীৰৰ শত্ৰুসকল আনন্দিত হোৱা নাছিল। প্ৰধানমন্ত্ৰীয়ে কয়, যে সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদৰ মূল পৰিকল্পনাকাৰীসকলে ষড়যন্ত্ৰ ৰচনা কৰিছিল যাতে কাশ্মীৰক পুনৰ ধবংস কৰিব পাৰি। শ্ৰীমোদীয়ে এই সন্ত্ৰাসবাদৰ বিৰুদ্ধে দেশৰ জনতা এক হোৱাৰ লগতে বিশ্বৰ ১৪০ খন দেশে ভাৰতৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰাটোৰে এটা ডাঙৰ শক্তি বুলি অভিহিত কৰে। তেওঁ কয়, যে দেশৰ জনসাধাৰণে সন্ত্ৰাসবাদৰ বিৰুদ্ধে একেমুখে যুঁজ দিবলৈ সংকল্প লোৱাটোৰে এই একতাৰ ভেঁটি। প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে এই সংকল্প আৰু অধিক শক্তিশালী কৰি তোলাৰ প্ৰয়োজনীয়তা আছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰি কয়, যে প্ৰৱল ইচ্ছাশক্তিয়েহে এটা জাতি হিচাপে একতাৰ প্ৰদৰ্শন কৰিব পাৰে।

দুদিন পূৰ্বে দেহাৱসান ঘটা ইছ্ৰোৰ প্ৰাক্তন অধ্যক্ষ ড০ কে কস্তুৰীৰংগনৰ স্মৃতি সুৱৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশে এগৰাকী মহান বিজ্ঞানীক হেৰুৱালে। বিজ্ঞান, শিক্ষা আৰু ভাৰতীয় মহাকাশ যাত্ৰাৰ ক্ষেত্ৰত প্ৰয়াত কস্তুৰীৰংগনে উচ্চতাৰ শিখৰলৈ লৈ যোৱা বুলিও তেওঁ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে এই এপ্ৰিল মাহতে ভাৰতে আৰ্যভট্ট উপগ্ৰহ উৎক্ষেপন কৰাৰ ৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আনন্দ প্ৰকাশ কৰে। ৫০ বছৰ পূৰ্বে প্ৰযুক্তি আৰু আধুনিক সমলৰ যথেষ্ট উৎস নথকা সত্তেও বিজ্ঞানীসকলে আন্তৰিক প্ৰয়াসেৰে মহাকাশ যাত্ৰা আৰু গৱেষণাৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল। অগ্ৰজসকলৰ এই প্ৰয়াসৰ ফলতে ভাৰতে বিশ্ব মহাকাশ শক্তিৰ ক্ষেত্ৰত নিজস্ব স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ ভাৰতে ১০৪ টা উপগ্ৰহ উৎক্ষেপন কৰাটো গৌৰৱৰ বিষয়ে বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে চন্দ্ৰৰ দক্ষিণ মেৰুত অৱতৰণ কৰা ভাৰত হৈছে বিশ্বৰ প্ৰথমখন দেশ। ভাৰতে মহাকাশ খণ্ডৰ ব্যক্তিগত খণ্ডৰ বাবেও মুকলি কৰি দিছে বুলি উল্লেখ কৰে। এই সন্দৰ্ভত মহাকাশ ষ্টাৰ্ট আপৰ যোগেৰে নতুন নতুন গৱেষণা আৰু অভিযানৰ বাবে যুৱ প্ৰজন্মৰ ভালেসংখ্যকে আগবাঢ়ি আহিছে বুলি তেওঁ প্ৰকাশ কৰে। মহাকাশ বিষয়ত কাম-কাজ কৰাৰ ক্ষেত্ৰত ১০ বছৰে আগতে মাত্ৰ এটাহে কোম্পানী আছিল বুলি উল্লেখ কৰি তেওঁ কয় যে দেশত এই বিষয়ত কাম কৰি থকা কোম্পানীৰ সংখ্যা বৰ্তমান ৩২৫ লৈ বৃদ্ধি পাইছে। ভাৰতে গগনযান, স্পাদেক্স, আৰু চন্দ্ৰযান ফ'ৰ আদিৰ দৰে বহু গুৰুত্বপূৰ্ণ অভিযানৰ প্ৰস্তুতিত ব্যস্ত থকা বুলিও তেওঁ উল্লেখ কৰে।

০০০০

শোণিতপুৰ জিলাৰ দৰং মহাবিদ্যালয়ত **বহনক্ষম উন্নয়নৰ দিশত যুৱক প্ৰজন্মৰ ভূমিকা** শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ কালি অনুষ্ঠিত হয়। বায়ু প্ৰদূষণ, প্লাষ্টিক আৱৰ্জনাৰ কু-প্ৰভাৱ, আৱৰ্জনা সমস্যাৰ ব্যৱস্থাপনা আদি সম্পৰ্কে সজাগতা সৃষ্টিৰে এই আলোচনা চক্ৰ অনুষ্ঠিত হয়। দেশৰ বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ৪৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই আলোচনা চক্ৰত অংশগ্ৰহণ কৰে। আলোচনা চক্ৰ উদ্বোধনী অনুষ্ঠানত পৃথ্বীৰাজ ৰাভাৰ লগতে কেইবাগৰাকী পৰিৱেশ সম্পৰ্কীয় বিজ্ঞানী আৰু পৰিৱেশ সচেতন ব্যক্তিয়ে অংশ লয়।

০০০০

ৰাজ্যত চলিত বৰ্ষৰ প্ৰথম চাৰি মাহত ১১ হাজাৰৰো অধিক ৰেচন কাৰ্ড বাতিল কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ ৰাজহুৱা বিতৰণ বিভাগৰ তথ্যত এই কথা প্ৰকাশ পাইছে। বিভাগে প্ৰকাশ কৰা মতে জানুৱাৰীত অন্ত্যোদয়া অন্ন যোজনাৰ অধীনৰ ৩১ খন আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়াল আঁচনি অধীনৰ ৮৮৯ খন কাৰ্ড বাতিল কৰা হৈছে। একেদৰে ফেব্ৰুৱাৰীত অন্ত্যোদয়া অন্ন যোজনাৰ অধীনৰ ২২৮ খন আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়াল আঁচনি অধীনৰ ৪ হাজাৰ ৬৯২ খন কাৰ্ড বাতিল কৰা হৈছে। ইয়াৰোপৰি মাৰ্চত অন্ত্যোদয়া অন্ন যোজনাৰ অধীনৰ ৯১ খন আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়াল আঁচনি অধীনৰ এহেজাৰ ৬৬৭ খন কাৰ্ড বাতিল কৰা হৈছে। ৰাজ্যত এই মাহত বৰ্তমানলৈকে উভয় শিতানৰ ৪ হাজাৰ ৬১ খন ৰেচন কাৰ্ড বাতিল কৰা হৈছে। সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰীক্ষাত অবৈধ বুলি প্ৰমাণিত হোৱাৰ বাবে এই কাৰ্ডসমূহ বাতিল কৰা হৈছে।

০০০০

যোৰহাটৰ আৱৰ্ত ভৱনত কালি চলিত বছৰৰ প্ৰথম তিনিমাহৰ বাবে অপৰাধ সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত জিলা আয়ুক্ত জয় শিৱানী, জিলা সত্ৰ ন্যায়াধীশ প্ৰাঞ্জল দাস সহ অন্যান্য ন্যায়াধীশ আৰু জিলা ন্যায়িক বিভাগৰ বিষয়াবৰ্গ উপস্থিত থাকে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি সন্মিলনখনত স্বাস্থ্য, পৰিবহন, আবকাৰী, জন কল্যাণ, শিক্ষা, আদি বিভাগৰ উপৰি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু বিভিন্ন সংস্থাৰ মুৰব্বীসকলো উপস্থিত থাকে। এই সন্মিলনত কিদৰে অপৰাধৰ মূল পৰিকল্পনাকাৰীক চিনাক্ত আৰু ধৰা পেলাব পাৰি এই সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০

সমাপ্ত